অসম বিধান সভা

উত্তৰ দানৰ তাৰিখ – ১৪/০৭/২০২৬

**তৰা বিহীন প্ৰশ্ন নং : ৩১৩**

বিষয় : খোৱা পানীত আৰ্চেনিক থকাৰ সন্দৰ্ভত

বিধায়ক : শ্ৰীধীৰাজ গোৱালা:

**মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:**

**(ক)** তিতাবৰ বিধানসভা সমষ্টিৰ ভু-গৰ্ভৰ পানীত যথেষ্ট আৰ্চেনিক থকাৰ বিষয়ে চৰকাৰ অৱগতনে? যদি অৱগত, সমষ্টিবাসীক আৰ্চেনিকমুক্ত খোৱাপানী যোগানৰ ব্যৱস্থা কৰিবনে?

**(খ)** যদি কৰে, কেতিয়ালৈ কৰিব?

**উত্তৰ**

**জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত কৃষ্ণেন্দু পাল মহোদয়ে উত্তৰ দিব।**

**(ক)** হয় । তিতাবৰ অঞ্চলৰ কিছুমান ঠাইত ভূগৰ্ভৰ পানীত আৰ্চেনিকৰ উপস্থিতিৰ বিষয়টো চৰকাৰ অৱগত ।

আৰ্চেনিকমুক্ত নিৰাপদ খোৱাপানী যোগান নিশ্চিত কৰাৰ উদ্দেশ্যে গ্ৰেটাৰ তিতাবৰ Zone - I , গ্ৰেটাৰ তিতাবৰ Zone - II , ইন্ট্ৰিগেটেড চৰাইপানী , গ্ৰেটাৰ ঠেঙাল পানী যোগান আঁচনি আংশিকভাৱে তিতাবৰ বিধানসভা সমষ্টি অঞ্চলসমূহ সামৰি লৈছে, নীৰ নিৰ্মল পৰিযোজনা ( World Bank Funded ) ( আংশিক ভাবে তিতাবৰ বিধানসভা সমষ্টিক সামৰি লৈছে ( , গ্ৰেটাৰ মৰিয়নী পানী যোগান আঁচনি ) আংশিকভাৱে তিতাবৰ সমষ্টিক সামৰি লৈছে ( আদি মেগা পানী যোগান আঁচনি গ্ৰহন কৰা হৈছে । এই ছয়খন আঁচনিত নদীৰ পানীক উৎস হিচাপে ব্যৱহাৰ কৰা হৈছে ।

বৰ্তমানে চৰকাৰৰ নিদেৰ্শ অনুযায়ী Standstill period চলি থকাৰ বাবে নীৰ নিৰ্মল পৰিযোজনা পানী যোগান আঁচনিৰ বাদে বাকী ৫ খন আঁচনিৰ কাম বৰ্তমানে স্থগিত ৰখা হৈছে ।

উল্লেখ্য যে , বৰ্তমান চৰকাৰী নিৰ্দেশনা অনুসৰি Retro - fitting আঁচনিসমূহত standstill period বলবৎ থকাৰ ফলত উক্ত আঁচনিসমূহত নতুনকৈ কোনো নিৰ্মান কাৰ্য সম্পাদন কৰিব পৰা নাই যদিও উক্ত ৫ খন আঁচনি আংশিকভাৱে কাৰ্যক্ষম অৱস্থাত আছে আৰু সংশ্লিষ্ট উপভোক্তাসকলক নিয়মীয়াকৈ খোৱাপানী যোগান ধৰি আহিছে ।

| **আঁচনিৰনাম**(scheme name) | **বৰ্তমানৰঅৱস্থা**( Current status) | **উপভোক্তাৰসংখ্যা** No. of Beneficiaries (Achievement) |
|---|---|---|
| গ্ৰেটাৰ তিতাবৰ (Zone I) | আংশিক ভাবে সম্পূৰ্ণ | ১০২০৯ (10209) |
| গ্ৰেটাৰ তিতাবৰ (Zone II) | আংশিক ভাবে সম্পূৰ্ণ | ৯০০৪ (9004) |
| ইন্ট্ৰিগেটেড চৰাইপানী (Integrated Charaipani) | আংশিক ভাবে সম্পূৰ্ণ | ১১১৭ (1117) |
| গ্ৰেটাৰ ঠেঙাল (Gr. Thengal) | আংশিক ভাবে সম্পূৰ্ণ | ৫৬৫৩ (5653) |
| গ্ৰেটাৰ মৰিয়নী (Gr. Mariani) | আংশিক ভাবে সম্পূৰ্ণ | ১০৪৬ (1046) |
| নীৰ নিৰ্মল পৰিযোজনা (NNP) | আংশিক ভাবে সম্পূৰ্ণ | ৩৩২৫ (3325) |

**(খ)** উক্ত উল্লেখিত নদী উৎস ভিত্তিক মেগা পানী যোগান আঁচনিসমূহৰ অন্তৰ্গত Retrofitting কামসমূহ ইতিমধ্যে JJM 1.0 ৰ অধীনত আৰম্ভ কৰা হৈছে আৰু ডিচেম্বৰ , ২০২৮ ৰ আগত সম্পূৰ্ণ কৰিবলৈ লক্ষ্য স্থিৰ কৰা হৈছে যদিও চৰকাৰ নিৰ্দেশ অনুযায়ী Stand Still Period চলি থকাৰ বাবে ( vide Notification No. 555519 / 2 dated 03.10.2024 ) কাৰ্যসমূহ বৰ্তমান অস্থায়ী ভাবে স্থগিত কৰি ৰখা হৈছে আৰু ভৱিষ্যতে চৰকাৰ নিৰ্দেশনা অনুযায়ী পুনৰ অব্যাহত ৰখা হ'ব ।